**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 05-07-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN
**HEADLINES**
**::::::::::::::::::::**

১। ট্ৰিনিদাদ আৰু টবেগ'ৰ সফল ভ্ৰমণ সামৰি পাঁচ দেশীয় ভ্ৰমণসূচীৰ তৃতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰ্জেণ্টিনাৰ ৰাজধানী বুয়েন'ছ আয়াৰ্ছত উপস্থিত হৈছে।
২। ওড়িশাৰ পুৰীত ভগৱান জগন্নাথ, ভগৱান বলভদ্ৰ আৰু দেৱী সুভদ্ৰাৰ বিশ্বপ্ৰসিদ্ধ বহুড়া যাত্ৰাৰ আয়োজন কৰা হৈছে।
৩। প্ৰযুক্তি খণ্ডৰ আগশাৰীৰ কোম্পানী মাইক্ৰছ'ফটে বিশ্বজনীন পুনৰগঠন প্ৰক্ৰিয়াৰ অংশ হিচাপে ২৫ বছৰৰ পাছত পাকিস্তানত কাম-কাজ আনুষ্ঠানিকভাৱে বন্ধ কৰিছে।
৪। কানাডা অ'পেন ছুপাৰ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ কিদাম্বি শ্ৰীকান্তে পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

**আৰু**

৫। এজবেষ্টন টেষ্টৰ তৃতীয় দিনৰ সামৰণিত ভাৰত তুলনামূলকভাৱে শক্তিশালী স্থিতিত উপনীত হৈছে।

০০০০০

ট্ৰিনিদাদ আৰু টবেগ'ৰ সফল ভ্ৰমণ সামৰি পাঁচ দেশীয় ভ্ৰমণসূচীৰ তৃতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰ্জেণ্টিনাৰ ৰাজধানী বুয়েন'ছ আয়াৰ্ছত উপস্থিত হৈছে। প্ৰধানমন্ত্ৰী মোদীক প্ৰবাসী ভাৰতীয়সকলে বিশেষ শাস্ত্ৰীয় নৃত্যৰে আদৰণি জনায়। শ্ৰীমোদীয়ে আৰ্জেণ্টিনাৰ প্ৰসিদ্ধ স্বাধীনতা সংগ্ৰামী তথা জাতীয় নায়ক জেনেৰেল জোছ ডে ছেন মাৰ্টিনৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ ভ্ৰমণ আৰম্ভ কৰিব। আনুষ্ঠানিক অভ্যৰ্থনাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উভয় দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব অধিক সুদৃঢ় কৰাৰ লগতে সহযোগিতাৰ নতুন ক্ষেত্ৰৰ অন্বেষণ কৰাৰ উদ্দেশ্যে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়ো দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰাৰ উপৰি বাণিজ্য আৰু বিনিয়োগ, স্বাস্থ্য আৰু ভেষজ, প্ৰতিৰক্ষা আৰু সুৰক্ষা, আন্তঃগাঁথনি, খনন আৰু খনিজ সম্পদ, কৃষি আৰু খাদ্য সুৰক্ষা, সেউজ শক্তি, তথ্য যোগাযোগ প্ৰযুক্তি আৰু ডিজিটেল উদ্ভাৱন, দুৰ্যোগ ব্যৱস্থাপনা, বিজ্ঞান আৰু প্ৰযুক্তি, শিক্ষা আৰু জন সম্পৰ্ককে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ নতুন পথ মুকলি কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ পূৰ্বে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ আপাহতে যোৱা নৱেম্বৰত প্ৰধানমন্ত্ৰী মোদী আৰু আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়েৰ মাইলি আলোচনাত মিলিত হৈছিল। প্ৰধানমন্ত্ৰীয়ে ২০১৮ চনত জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আৰ্জেণ্টিনালৈ গৈছিল যদিও এয়া হৈছে বিগত ৫৭ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ দেশখনলৈ প্ৰথম দ্বিপাক্ষিক ভ্ৰমণ।

পাঁচদেশীয় যাত্ৰালৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰ্জেণ্টিনাক লেটিন আমেৰিকাত ভাৰতৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সহযোগী আৰু জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ অন্যতম ঘনিষ্ঠ অংশীদাৰ বুলি অভিহিত কৰিছিল।

আৰ্জেণ্টিনা ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী ৰিঅ' ডি জেনেৰিঅ'ত হ'বলগীয়া ব্ৰিকছ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ব্ৰাজিললৈ যাব। পাঁচদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰীয়ে নামিবিয়ালৈ যাব।

০০০০০

ওড়িশাৰ পুৰীত ভগৱান জগন্নাথ, ভগৱান বলভদ্ৰ আৰু দেৱী সুভদ্ৰাৰ বিশ্বপ্ৰসিদ্ধ বহুড়া যাত্ৰাৰ আয়োজন কৰা হৈছে। এই যাত্ৰাত দেৱ-দেৱীকেইগৰাকীয়ে তেওঁলোকৰ জন্মস্থান বুলি গণ্য কৰা শ্ৰী গুন্দিছা মন্দিৰত এসপ্তাহ অতিবাহিত কৰি ৰথেৰে দ্বাদশ শতিকাত তীৰ্থস্থান শ্ৰীজগন্নাথ মন্দিৰলৈ উভতি আহিব। পুৰীৰ ৰজা গজপতি মহাৰাজ দিব্য সিং দেৱে

আজি দিনৰ আঢ়ৈ বজাৰ পৰা চাৰে তিনি বজাৰ ভিতৰত শ্বেৰা পহানৰা নামেৰে জনাজাত ৰথ আনুষ্ঠানিকভাৱে পৰিস্কাৰ কৰিব। ইয়াৰ পাছত তিনিওখন ৰথত ঘোঁৰা যুটি দিয়া হ'ব। বিয়লি ৪ বজাত ৰথ টনাৰ পৰম্পৰা আৰম্ভ হ'ব। হাজাৰ হাজাৰ তীৰ্থযাত্ৰীয়ে কালি সন্ধিয়া শ্ৰীগুন্দিছা মন্দিৰত সন্ধ্যা দৰ্শন অনুষ্ঠানত দেৱতাকেইগৰাকীক দৰ্শন কৰে। যোৱা ২৯ জুনত শ্ৰীগুন্দিছা মন্দিৰৰ সমীপত হেঁচা-ঠেলা ঘটনাত পদপিষ্ট হৈ তিনিজন লোকে প্ৰাণ হেৰুওৱা আৰু কেইবাজনো আহত হোৱালৈ চাই বহুড়া যাত্ৰাৰ বাবে ব্যাপক সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

ooooo

প্ৰযুক্তি খণ্ডৰ আগশাৰীৰ কোম্পানী মাইক্ৰছ'ফটে বিশ্বজনীন পুনৰগঠন প্ৰক্ৰিয়াৰ অংশ হিচাপে ২৫ বছৰৰ পাছত পাকিস্তানত কাম-কাজ আনুষ্ঠানিকভাৱে বন্ধ কৰিছে। ক্লাউড বেজ্‌ড পাটনাৰ লেড আৰ্হিৰ দোহাই দি কোম্পানীয়ে এই কথা ঘোষণা কৰিছে। এই আৰ্হিৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তত কোম্পানীটোত কৰ্মৰত প্ৰায় ৯ হাজাৰ ১০০গৰাকী কৰ্মচাৰীক কামৰ পৰা অব্যাহতি দিয়া হৈছে। মাইক্ৰ'ছফ্‌টৰ পাকিস্তানৰ মুৰব্বী জাৱেদ ৰহমানে কোম্পানীটোৰ কাম-কাজ বন্ধ কৰাৰ কথা ঘোষণা কৰিছে আৰু দেশখনৰ প্ৰত্যাহ্বানজনক অৰ্থনৈতিক পৰস্থিতি, ৰাজনৈতিক অস্থিৰতা, কৰৰ উচ্চ হাৰ, মুদ্ৰাজনিত বিষয় আৰু বাণিজ্যিক বাধা-নিষেধৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি মন্তব্য কৰিছে। ইপিনে পাকিস্তানৰ ৰাষ্ট্ৰপতি ড০ আৰিফ আল্‌ভিয়ে এই সিদ্ধান্তক পাকিস্তানৰ অৰ্থব্যৱস্থাৰ বাবে বিপদৰ সংকেত বুলি অভিহিত কৰিছে। উল্লেখযোগ্য যে ২০০০ চনৰ ৭ মাৰ্চত পাকিস্তানত কাম-কাজ আৰম্ভ কৰা মাইক্ৰ'ছফ্‌ট কোম্পানীটোৱে দেশখনৰ ডিজিটেল বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশেষজ্ঞসকলে কোম্পানীটোৰ কাম-কাজ বন্ধৰ দৰে কাৰ্যই পাকিস্তানৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতি কঢ়িয়াই অনা ব্যাপক সংকেতকে সূচাইছে।

ooooo

ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এয়ে ভাৰতৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অন্য ৰাষ্ট্ৰলৈ অবৈধ মানৱ সৰবৰাহৰ ঘটনাত জড়িত থকাৰ অভিযোগত দিল্লী আৰু হিমাচল প্ৰদেশৰ পৰা দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। তদন্ত সংস্থাটোৱে এটা বিবৃতিযোগে ধৃত ব্যক্তি দুজনৰ এজনে অবৈধ আৰু বিপদসংকুল পথেৰে ভুক্তভোগীসকলৰ যাত্ৰাৰ সুবিধা কৰি দিয়াত মূল ভূমিকা পালন কৰিছিল আৰু আনজনে এই যাত্ৰাত সহায় আগবঢ়োৱা লেটিন আমেৰিকাৰ লোকসকললৈ পুঁজি হস্তান্তৰৰ সৈতে জড়িত আছিল।

ooooo

ৰাষ্ট্ৰপতিৰ শাসনত থকা মণিপুৰ চৰকাৰে ৰাজ্যখনৰ থকা প্ৰায় ৩৫০টা আশ্ৰয় শিবিৰ বন্ধ কৰি দিয়াৰ কথা বিবেচনা কৰিছে। ৰাজ্যখনৰ মুখ্য সচিব পি কে সিঙে কালি ইম্ফলত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে ২০২৩ চনৰ পৰা ৰাজ্যখনত সংঘটিত গোষ্ঠীগত সংঘৰ্ষত গৃহহীন হোৱা লোকসকলৰ বাবে স্থাপন কৰা এই আশ্ৰয় শিবিৰসমূহত থকা লোকসকলক এই মাহৰ পৰাই তিনিটা পৰ্যায়ত বিকল্প স্থানত সংস্থাপিত কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। তেওঁ কয়, যে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ সৈতে কৰা কেইবালানিও আলোচনাৰ অন্তত আশ্ৰয় শিবিৰসমূহ পৰ্যায়ক্ৰমে বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। আশ্ৰয় শিবিৰত থকা লোকৰ সংখ্যা ৬২ হাজাৰৰ পৰা ৫৭ হাজাৰলৈ হ্ৰাস পাইছে বুলি শ্ৰীসিঙে জানিবলৈ দিয়ে। চূড়াচান্দপুৰ, কাংপক্‌পি জিলাত থকা প্ৰায় ৮ হাজাৰ শৰণাৰ্থীসকলক প্ৰথম পৰ্যায়ত এই মাহৰ ভিতৰতে স্বগৃহলৈ ঘূৰাই পঠিওৱা হ'ব। প্ৰতিটো পৰিয়ালকে নিজ নিজ বাসগৃহ পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে ৩ লাখ টকাকৈ আগবঢ়াব বুলিও মুখ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে নিৰাপত্তা বাহিনীয়ে যোৱা ৩ জুলাইৰ নিশাৰ পৰা ৪ জুলাইৰ পুৱালৈকে মণিপুৰৰ বিভিন্ন স্থানত অভিযান চলাই বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। মণিপুৰ আৰক্ষী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, আছাম ৰাইফলছ আৰু সেনাবাহিনীয়ে টেন'পাল, কাংপক্‌পি, চাণ্ডেল আৰু চূড়াচান্দপুৰ জিলাত অভিযান চলাই ২০৩টা বিভিন্ন প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। ইয়াৰে ভিতৰত ২১টা ইনচাছ ৰাইফল, ১১টা এ কে শ্ৰেণীৰ ৰাইফল, ২৬টা এছ এল আৰ, ২টা স্নাইপাৰ ৰাইফল, ১৭টা পইণ্ট থ্ৰী নট থ্ৰী ৰাইফল, দুটা ৫১ মিলিমিটাৰ মৰ্টাৰ আৰু ৩০টা আই ই ডিও আছে।

ooooo

কানাডা অ'পেন চুপাৰ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ কিদাম্বি শ্ৰীকান্তে পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। শ্ৰীকান্তে আজি কোৱাৰ্টাৰ ফাইনেলত বিশ্ব ষষ্ঠ স্থানৰ খেলুৱৈ চীনা টাইপেইৰ চাউ টিয়েন ছেনক ২১-১৮, ২১-৯ গেমত পৰাভূত কৰে। শ্ৰীকান্ত আজি ছেমি ফাইনেলত জাপানৰ তৃতীয় বাছনিপ্ৰাপ্ত কেণ্টা নিশ্বিমট'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৯ বাজি ১০ মিনিটত আৰম্ভ হ'ব।

নিশ্বিমট'ই ভাৰতৰ শংকৰ মুথুস্বামীক ২১-১৫, ৫-২১, ২১-১৭ গেমত পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। ইপিনে, মহিলাৰ ছিংগলছত ভাৰতৰ শ্ৰীয়াংচি ৱালিচেট্টী ডেনমাৰ্কৰ অমালে ছুল্জৰ বিৰুদ্ধে পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০

এজবেষ্টন টেষ্টৰ তৃতীয় দিনৰ সামৰণিত ভাৰত তুলনামূলকভাৱে শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত টেষ্ট মেচখনৰ কালি তৃতীয় দিনা ইংলেণ্ডে প্ৰথম ইনিংছত ৪০৭ ৰানত আটাইকেইটা উইকেট হেৰুওৱাত আলহী দলটোৱে প্ৰথম ইনিংছত ১৮০ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি দিনান্তত এক উইকেটৰ বিনিময়ত ৬৪ ৰান সংগ্ৰহ কৰে। খেলখনৰ দুটা দিন বাকী থকা অৱস্থাত দ্বিতীয় ইনিংছৰ ৯টা উইকেট বাকী থকা অৱস্থাত ভাৰত সামগ্ৰিকভাৱে ইংলেণ্ডতকৈ ২৪৪ ৰানত আগবাঢ়ি আছে। ইংলেণ্ডৰ প্ৰথম ইনিংছত দলটোৰ উইকেট ৰক্ষক জেমি স্মিথ আৰু হেৰি ব্ৰুকছৰ যুঁটীয়ে ষষ্ঠ উইকেটৰ যুঁটীত অভিলেখ সংখ্যক ৩০৩ ৰান যোগ দি দলটোক ফ'ল' অনৰ পৰা ৰক্ষা কৰে। স্মিথে অপৰাজিত ১৮৪ ৰান সংগ্ৰহ কৰে। হেৰি ব্ৰুকছ ১৫৮ ৰানত আউট হয়। ভাৰতৰ হৈ মহম্মদ ছিৰাজে ৬টা আৰু আকাশদীপে ৪টা উইকেট দখল কৰে। দ্বিতীয় ইনিংছত ভাৰতে য়শস্বী জয়ছোৱালৰ উইকেট হেৰুৱাইছে। কে এল ৰাহুলে ২৮ ৰান আৰু কৰুণ নায়াৰে ৭ ৰান কৰি বেট ধৰি আছে।

০০০০০

সমাপ্ত